# দুই বন্ধুৰ মাজত আলোচনা

খালিদ আৰু হামিদ দুজন ছাত্ৰ। তেওঁলোক দুজন একেখন বিদ্যালয়ত অধ্যায়ন কৰে। কিন্তু তেওঁলোক দুজন দুটা বেলেগ বেলেগ গাওঁত থাকে। তেওঁলোক দুজন ৰাতিপুৱা বিদ্যালয়লৈ যায় আবেলি তাৰ পৰা ঘুৰি আহে তাৰ পিছত অলপ বিশ্ৰাম কৰে আৰু তাৰ পিছত নিজৰ মা-দেওতাক ঘৰৰ কামত সহায় কৰে।

এদিনা খন খালিদ দেওতাৰ লগত বজাৰলৈ যায় আৰু দুডাল নতুন কলম কিনি আনে আৰু হামিদ গাওঁৰ পুথি ভৰাললৈ যায় আৰু তাৰ পৰা দুখন পুৰণি কিতাপ লৈ আনে। পিছ দিনাখন বিদ্যালয়ত দুই বন্ধু লগ হৈ এই দৰে কথা পাতেঃ

হামিদঃ শুভ ৰাতিপুৱা!

খালিদঃ শুভ ৰাতিপুৱা!

হামিদঃ তুমি কেনে আছা?

খালিদঃ ভাল, সকলো প্ৰশংসা আল্লাহৰ বাবে, আৰু তুমি?

হামিদঃ সকলো প্ৰশংসা আল্লাহৰ বাবে ময়ো ভালে আছো।

খালিদঃ আবেলি তুমি কি কৰিলা?

হামিদঃ মই গাওঁৰ পুথি ভৰাললৈ গৈছিলো।

খালিদঃ তুমি কোনো কিতাপ আনিছানে?

হামিদঃ হয়, মই এই দুখন কিতাপ আনিছো।

খালিদঃ ভাল কৰিছা, মই এই কিতাপ দুখনৰ পৰা উপক্ৰিত হ'ব পাৰিম নে?

হামিদঃ নিশ্চয়, মোৰ পঢ়া শেষ হলেই তোমাক দিম। আৰু তুমি কি কৰিলা?

খালিদঃ মই দেওতাৰ লগত বজাৰলৈ গৈছিলো।

হামিদঃ তুমি কোনো বস্তু কিনিছা নে?

খালিদঃ হয়, মই এই দুডাল কলম কিনিছো।

হামিদঃ আল্লাহৰ শপত এই কলম দুডাল বৰ সুন্দৰ। কিমান দি কিনিছা?

খালিদঃ বিশ টকাৰে কিনিছো।

হামিদঃ তুমি দুডাল কলম কিয় কিনিছা?

খালিদঃ এটা তোমাক দিব বিচাৰো।

হামিদঃ অশেষ ধন্যবাদ।

খালিদঃ মোক ক্ষমা কৰিবা।